পাঠ ১২

ব্ব, ত্ব, শ্ব, ত্ত, ত্ম, ধ্ব, ষ্ট্র

# আমাৰ দিৱস

E6Z5Z8



আজি পোন্ধৰ আগষ্ট, আমাৰ দেশৰ স্বাধীনতা দিৱস। আমাৰ বিদ্যালয়ত উলহ-মালহেৰে স্বাধীনতা দিৱস পালন কৰা হ'ব। ৰাতিপুৱাই চাফ-চিকুণ হৈ আমি বিদ্যালয়লৈ আহিছোঁ। আন গণ্যমান্য ব্যক্তিসকলো আহিছে।

বিদ্যালয় চৌহদত পতাকা উত্তোলনৰ বাবে নিৰ্দিষ্ট ঠাই আছে।

পতাকাখনৰ ভাঁজে ভাঁজে ফুল সুমুৱাই জাপি ৰছীৰে বান্ধিছোঁ। পতাকাৰ গেৰুৱা অংশটো যাতে ওপৰৰ ফালে থাকে তাৰ প্ৰতি আমি দৃষ্টি ৰাখিছোঁ।

নিৰ্দিষ্ট স্থানৰ চাৰিওফালে আমি ঘূৰণীয়া হৈ থিয় হলোঁ। প্ৰধান শিক্ষকে প্ৰণাম জনাই ৰছী টানি পতাকাখন ওপৰলৈ তুলিলে। ওপৰত পতাকাখন খোল খাই বতাহত উৰিবলৈ ধৰিলে। ফুলবোৰ চাৰিওফালে সিঁচৰতি হৈ পৰিল। আমি সকলোৰে পতাকাখনক প্ৰণাম জনাই ‘জন গণ মন.....’ ৰাষ্ট্ৰীয় সংগীতটো গালোঁ।

তাৰ পিছত ছাৰে ক’লে, “আজি স্বাধীনতা দিৱস। প্ৰতি বছৰে পোন্ধৰ আগষ্টত আমি এই দিৱস পালন কৰোঁহঁক। ঊনৈছ শ সাতচল্লিছ চনৰ পোন্ধৰ আগষ্ট তাৰিখে আমাৰ দেশ স্বাধীন হয়। ইয়াৰ আগতে প্ৰায় দুশ বছৰ ইংৰাজসকলে আমাৰ দেশত ৰাজত্ব কৰিছিল। স্বাধীনতা লাভৰ বাবে আমি আন্দোলন কৰিবলগীয়া হৈছিল। মহাত্মা গান্ধীয়ে সেই আন্দোলনৰ গুৰি ধৰিছিল। সেই আন্দোলনত বহুতো লোক ছহিদ হৈছিল। আজি আমি সেই ছহিদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা উচিত।”



## কওঁ আহা

- আমাৰ দেশ কোন চনত স্বাধীন হৈছিল?
- কোন তাৰিখে আমি স্বাধীনতা দিৱস পালন কৰোঁ?
- আমাৰ ৰাষ্ট্ৰীয় সংগীতটো কি?
- ছহিদসকলক কিয় সুঁৱৰিব লাগে?
- স্বাধীনতা আন্দোলনত কোনে নেতৃত্ব দিছিল?

স্বাধীনতা আন্দোলনত ভাগ লোৱা ব্যক্তিৰ বিষয়ে শিকাৰুক জনাব

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা



নব্বৈ ব্ব = ব + ব বই বই ব্ব

ব্ব ব + ব বই বই ব্ব —একানব্বৈ, আব্বাজান

ত্ব ত + ৱ তই ৱই ত্ব — তত্ব, ৰাজত্ব

শ্ব শ + ৱ শই ৱই শ্ব — বিশ্ব, ভোগেশ্বৰী

ধ্ব ধ + ৱ ধই ৱই ধ্ব — ধ্বনি, প্ৰতিধ্বনি

ত্ত ত + ত তই তই ত্ত — উত্তৰ, উত্তোলন

ত্ম ত + ম তই মই ত্ম — আত্মা, মহাত্মা

ষ্ট্ৰ ষ+ট+ৰ ষই টই ষ্ট তাত ৰ (ˍ)কাৰে ষ্ট্ৰ— ৰাষ্ট্ৰ, ৰাষ্ট্ৰীয়

যুক্তাক্ষৰ গঠন কৰোঁ আহা




| | | | |
|---|---|---|---|
| ব + ব | বই | বই | ব্ব |
| ত + ৱ | তই | ৱই | ত্ব |
| শ + ৱ | শই | ৱই | শ্ব |
| ধ + ৱ | ধই | ৱই | ধ্ব |
| ত + ত | তই | তই | ত্ত |
| ত + ম | তই | মই | ত্ম |
| ষ + ট + ৰ | ষই | টই | ষ্ট তাত ৰ (ˍ)কাৰে ষ্ট্ৰ |

 পঢ়োঁ আহা

| | | | |
|---|---|---|---|
| নব্বৈ | পঁচান্নব্বৈ | সাতানব্বৈ | আব্বাজান |
| ৰাজত্ব | বীৰত্ব | নেতৃত্ব | বন্ধুত্ব |
| অশ্ব | বিশ্ব | নশ্বৰ | ভোগেশ্বৰী |
| ধ্বনি | কৰধ্বনি | পদধ্বনি | প্ৰতিধ্বনি |
| বিত্ত | চিত্ত | উত্তৰ | উত্তাল |
| আত্মা | মহাত্মা | আত্মীয় | পৰমাত্মা |
| ৰাষ্ট্ৰ | ৰাষ্ট্ৰীয় | ৰাষ্ট্ৰপতি | ৰাষ্ট্ৰভাষা |

 শুদ্ধটোত (✓) চিন দিওঁ আহা

ৰাষ্ট্ৰীয় সংগীত
- বন্দে মাতৰম্
- অ' মোৰ আপোনাৰ দেশ
- জন গণ মন

জাতীয় পতাকাৰ ওপৰফালে থকা ৰংটো
- সেউজীয়া
- গেৰুৱা
- বগা



আমাৰ দেশ স্বাধীন হয়
- ১৯৪৭ চনৰ ১৫ আগষ্টত
- ১৯৫০ চনৰ ২৬ জানুৱাৰীত
- ১৯৪২ চনৰ ১০ অক্টোবৰত


পঢ়োঁ আহা

ভাৰতবৰ্ষ এখন স্বাধীন ৰাষ্ট্ৰ।

ইংৰাজ সকলে আমাৰ দেশত প্ৰায় দুশ বছৰ ৰাজত্ব কৰিছিল।

মহাত্মা গান্ধী বিশ্ববৰেণ্য নেতা।

পতাকাক ধ্বজা বোলে।

ময়ূৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় চৰাই।

স্বাধীনতা দিৱসত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

ওঠৰশ সাতানব্বৈ চনৰ ভূমিকম্পত অসমৰ বিস্তৰ ক্ষতি হৈছিল।


তোমাৰ অঞ্চলৰ গণ্যমান্য ব্যক্তি এজনৰ বিষয়ে পাঁচটা বাক্য লিখা।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

*কাৰ্যটো কৰাত শিকাৰুক সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## যুক্তাক্ষৰ ভাঙা আৰু শব্দ লিখা।

ব্ব ..............................................................

ত্ব ..............................................................

শ্ব ..............................................................

ত্ত ..............................................................

ত্ম ..............................................................

ধ্ব ..............................................................

ষ্ট্ৰ ..............................................................

### জানো আহা

| | | |
|---|---|---|
| ধানৰ খেতি থকা পথাৰ | — | ধাননি |
| ঘাঁহ থকা ঠাই | — | ঘাঁহনি |
| ফুল থকা ঠাই | — | ফুলনি |
| শাকৰ খেতি কৰা ঠাই | — | শাকনি |
| মাহ শস্য থকা ঠাই | — | মাহনি |



### পাঠৰ সহায়ত বাক্য সম্পূৰ্ণ কৰোঁ আহা

১৫ আগষ্ট আমাৰ দেশৰ .............................. দিৱস।

আমি সকলোৱে .............................. সংগীত গাওঁ।

২৬ জানুৱাৰীত .............................. দিৱস পালন কৰা হয়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*


**তলৰ শব্দ/বাক্যাংশকেইটাৰ অৰ্থ প্ৰকাশ কৰা শব্দ পাঠৰ পৰা বিচাৰি লিখা।**

- আনন্দৰে ব্যস্ত হোৱা অৱস্থা — উ..........
- চাৰিসীমা — চৌ..........
- বিশিষ্ট ব্যক্তি — গ..........
- পতাকা ওপৰলৈ তোলা কাৰ্য — উ..........
- দেশৰ কাৰণে মৃত্যুবৰণ কৰা লোক — ছ..........
- উছৰ্গা — আ..........
- মনত পেলোৱা কাৰ্য — সোঁ..........




## জানো আহা

| | | |
|---|---|---|
| ১৫ আগষ্ট | — | স্বাধীনতা দিৱস |
| ২৬ জানুৱাৰী | — | গণৰাজ্য দিৱস |
| ১৪ নৱেম্বৰ | — | শিশু দিৱস |
| ৫ জুন | — | পৰিৱেশ দিৱস |
| ৩০ জানুৱাৰী | — | ৰাষ্ট্ৰীয় ছহিদ দিৱস |



*কাৰ্যটো কৰাত শিক্ষকে সহায় কৰিব।*

 পতাকাখন ৰং কৰা।



 চাই চাই লিখোঁ আহা

আমি ৰাষ্ট্ৰীয় পতাকাক সন্মান জনাওঁ।

 শ্ৰুতলিপি লিখা।

☞ পাঠৰ পৰা শ্ৰুতলিপি দিব।

☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী